**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 26-12-2025** **Time : 1340 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বীৰ বাল দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰে।

২। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ বাবে বিকশিত ভাৰত জি ৰাম জী আঁচনিৰ অধীনত দেশৰ গ্ৰামাঞ্চলত উন্নয়নমূলক কাম-কাজ অব্যাহত আছে।

৩। নতুন দিল্লীত আজিৰেপৰা তিনিদিনীয়া পঞ্চমসংখ্যক মুখ্য সচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হ'ব।

৪। গুৱাহাটীত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব।

*আৰু*

৫। অন্ধ্ৰ প্ৰদেশত আজি নিচেই পুৱা দুটা পৃথক পথ দুৰ্ঘটনাত ৭জন লোকে প্ৰাণ হেৰুৱায় আৰু ৫ জন লোক আহত হয়।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত বীৰ বাল দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ প্ৰদান কৰে। চলিত বৰ্ষত ১৮খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ উল্লেখিত সাফল্য প্ৰদৰ্শন কৰা ২০গৰাকী শিশুক এই পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰসঙ্গত ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই বঁটাই বঁটা প্ৰাপকসকলক উৎসাহিত কৰাৰ লগতে সমগ্ৰ দেশৰ শিশুসকলক অনুপ্ৰাণিত কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে বঁটাপ্ৰাপ্ত শিশুসকলে সাহসিকতা,  কলা আৰু সংস্কৃতি, পৰিবেশ, উদ্ভাৱন আৰু বিজ্ঞান আৰু প্ৰযুক্তিৰ বিভিন্ন খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়াইছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে শ্ৰী গুৰু গোবিন্দ সিংজীৰ দুজন সাহসী পুত্ৰ বাবা জোৰাৱৰ সিং আৰু বাবা ফাতেহ সিঙে ধৰ্ম ৰক্ষাৰ বাবে বলিদান দিয়া উপলক্ষে প্ৰতি বছৰে এই দিৱস পালন কৰা হয়। দুয়োগৰাকী বীৰৰ আত্মত্যাগে সকলো প্ৰজন্মকে অনুপ্ৰাণিত কৰি আহিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে লগতে কয় যে যদিহে দেশৰ প্ৰতিগৰাকী শিশু দেশপ্ৰেম আৰু উচ্চ আদৰ্শৰে উদ্বুদ্ধ হয় তেতিয়া দেশত মানৱতা নিশ্চিত হ'ব। ভাষণ প্ৰসঙ্গত ৰাষ্ট্ৰপতিগৰাকীয়ে বঁটা প্ৰাপক কেইগৰাকীমান শিশুৰ সাফল্যৰ কথা উল্লেখ কৰে। আকাশবাণীয়েও কেইগৰাকীমান শিশুৰ সৈতে বাৰ্তালাপ কৰে। আগ্ৰাৰ অজয় ৰাজ নামৰ এগৰাকী ৯ বছৰীয়া শিশুৱে আকাশবাণীৰ আগত  পিয়াহত আতুৰ হৈ থকা তেওঁৰ পিতৃয়ে নদীত পানী খাবলৈ যোৱা অৱস্থাত ঘঁৰিয়ালে আক্ৰমণ কৰাৰ সময়ত তেওঁ কেনেকৈ পিতৃৰ প্ৰাণ ৰক্ষা কৰিছিল সেই সাহসিকতাৰ কথা সবিশেষ অৱগত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বীৰ বাল দিৱস উপলক্ষে আত্মবলিদান দিয়া দুয়োগৰাকী বীৰৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয় যে মাতা গুজৰী জী আৰু শ্ৰী গুৰু গোবিন্দ সিংজীৰ শিকনিসমূহে এই দিৱসৰ উপলক্ষত সাহস, দৃঢ়তা আৰু ধৰ্মৰক্ষাৰ কথা প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বীৰ দুগৰাকীয়ে ধৰ্মৰক্ষাৰ বাবে দিয়া আত্মবলিদানে জনসাধাৰণক অনুপ্ৰাণিত কৰি থাকিব।

গৃহমন্ত্ৰী অমিত শ্বাহে এই দিৱস উপলক্ষে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে শ্ৰী গুৰু গোবিন্দ সিংজীৰ দুগৰাকী পুত্ৰই বলিদান দিয়া কাৰ্যই দেশমাতৃৰ বাবে থকা সমৰ্পন, আত্মবলিদান ৰু ত্যাগৰ কথা প্ৰতিফলিত কৰে।

০০০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৈছে যে ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যক বাস্তৱায়িত কৰাৰ বাবে বিকশিত ভাৰত জি ৰাম জী আঁচনিৰ অধীনত দেশৰ গ্ৰামাঞ্চলত উন্নয়নমূলক কাম-কাজ অব্যাহত আছে। ডী ডী নিউজৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত শ্ৰীচৌহানে কয় যে এই আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ লোকৰ নিয়োগ নিশ্চিতৰ মজুৰি ১০০ৰ পৰা ১২৫ দিনলৈ বৃদ্ধি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে নতুন প্ৰৱৰ্তন কৰা বিকশিত ভাৰত জি ৰাম জী আইনৰ

অধীনত আবেদনৰ ১৫ দিনৰ ভিতৰত কাম নাপালে নিবনুৱা ভাট্টা বাধ্যতামূলক কৰা হৈছে। তেওঁ লগতে কয় যে এই আঁচনিৰ অধীনত ৰাজ্য চৰকাৰৰ অংশীদাৰৰ সৈতে ইয়াৰ বাৰ্ষিক ব্যয়ৰ পৰিমাণ ১ লাখ ৫১ হাজাৰ কোটিৰো অধিক হৈছে। শ্ৰীচৌহানে কয় যে ইয়াৰে ৯৫ হাজাৰ কোটিৰো অধিক টকা কেন্দ্ৰীয় চৰকাৰে বহন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে চাওতালী ভাষাৰ সংবিধানৰ সংস্কৰণ উন্মোচন কৰাৰ বিষয়ক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে ইয়াৰ ফলত সংবিধানৰ প্ৰতি অধিক সজাগতা বৃদ্ধি কৰাৰ লগতে জনসাধাৰণৰ গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণত সহায়ক হ'ব। শ্ৰীমোদীয়ে লগতে কয় যে দেশৰ প্ৰগতিৰ বাবে চাওতালী লোকৰ অৱদান আৰু চাওতালী সংস্কৃতিক লৈ দেশ অতি গৌৰৱান্বিত।

০০০০০০০

নতুন দিল্লীত আজিৰেপৰা তিনিদিনীয়া পঞ্চম সংখ্যক মুখ্য সচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ আৰু পৰহিলৈ এই সন্মিলনত অধ্যক্ষতা কৰিব। এই সন্মিলনে ৰাষ্ট্ৰীয় উন্নয়নৰ অগ্ৰাধিকাৰৰ ওপৰত গাঁথনিগত আৰু স্থায়ী আলোচনাৰ জৰিয়তে কেন্দ্ৰ, ৰাজ্যৰ অংশীদাৰিত্ব শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। এই সন্মিলনত এটা উমৈহতীয়া উন্নয়নমূলক কাৰ্যসূচী চূড়ান্ত কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে অনুসৰণ কৰিবলগীয়া বিকশিত ভাৰতৰ বাবে মানৱ মূলধন বিষয়টোৰ উত্তম পদ্ধতি আৰু কৌশলসমূহ এই সন্মিলনত আলোচনা কৰা হ'ব। এই বিষয়বস্তুৰ অধীনত পাঁচটা মূল ক্ষেত্ৰ - প্ৰাথমিক শিশু শিক্ষা, স্কুলীয়া শিক্ষা, দক্ষতা, উচ্চ শিক্ষা, ক্ৰীড়া আৰু সহ-পাঠ্যক্ৰমৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। বিগত ৪ বছৰ ধৰি মুখ্য সচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। ২০২২ চনৰ জুনত এই সন্মিলন প্ৰথমবাৰলৈ অনুষ্ঠিত হৈছিল।

০০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে অসম প্ৰদেশ বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। বিয়লি হ'বলগা ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰাৰ বাবে আজি দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতি নীতিন নবীন গুৱাহাটীত উপস্থিত হৈছে। লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত দলৰ ৰাষ্ট্ৰীয় কাৰ্যকৰী সভাপতিগৰাকীৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে দলৰ ভালেমান নেতা-কৰ্মীয়ে বিপুল আদৰণি জনায়। কাৰ্যনিৰ্বাহক সভা উপলক্ষে দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজুৰ উপস্থিতিত কালি দলৰ বশিষ্ঠস্থিত মুখ্য কাৰ্যালয়ত দলীয় নেতা-কৰ্মীৰ উপস্থিতিত এখন প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হয়। সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক নিৰ্বাচন প্ৰবন্ধন সমিতিখন কালি গঠন কৰা হয়। সাংসদ প্ৰদান বৰুৱাক এই সমিতিৰ আহ্বায়কৰ দায়িত্ব অৰ্পণ কৰাৰ লগতে সাংসদ কামাখ্যা প্ৰসাদ তাচা, ৰাজদ্বীপ ৰয় আৰু অনুপ বৰ্মনক সহ-আহ্বায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। এই সমিতিখন ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ৩৫ জনীয়া এই নিৰ্বাচন প্ৰৱন্ধন সমিতিখনত অনুমোদন জনায়।

০০০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে আজি ছহিদ উধম সিঙৰ জয়ন্তীত স্বাধীনতা সংগ্ৰামীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীশ্বাহে কয় যে অমৰ ছহিদ উধম সিঙে জালিৱানৱালাবাগৰ গণহত্যাৰ প্ৰতিশোধ ল'বলৈ ইংৰাজৰ বিৰুদ্ধে দেশৰ জনসাধাৰণক উদ্বুদ্ধ কৰি অসামান্য সাহস আৰু বীৰত্ব প্ৰদৰ্শন কৰিছিল।

০০০০০০০

অন্ধ্ৰ প্ৰদেশত আজি নিচেই পুৱা দুটা পৃথক পথ দুৰ্ঘটনাত ৭জন লোকে প্ৰাণ হেৰুৱায় আৰু ৫ জন লোক আহত হয়। গুণ্টুৰ জিলাত এখন ব্যক্তিগত বাছে এখন চাৰিচকীয়া বাহনত পিছফালৰ পৰা খুন্দিওৱাৰ ফলত তিনিজন লোক নিহত হয় আৰু তিনিজন লোক আহত হয়। ৰাজ্যখনৰ নানদয়াল জিলাত এটা পথ দুৰ্ঘটনাত চাৰিজন লোকে প্ৰাণ হেৰুৱায়। এখন দ্ৰুতবেগী বাহনে পথ বিভাজকত খুন্দিয়াই বিপৰীত দিশৰ পৰা আহি থকা এখন বাছৰ সৈতে হোৱা মুখামুখি সংঘৰ্ষৰ ফলত দুৰ্ঘটনাটো ঘটে।

০০০০০০০

কৰ্ণাটকৰ চিত্ৰদুৰ্গত এখন ব্যক্তিগত বাছ আৰু মালবাহী ট্ৰাকৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ পাছত অগ্নিদগ্ধ হৈ মৃত্যু হোৱা লোকৰ সংখ্যা ৭ লৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাগ্ৰস্ত বাছখনৰ চালকজনে আজি পুৱা প্ৰাণ হেৰুৱায়। কালি দুৰ্ঘটনাটোত ছজন লোক জীৱন্তে অগ্নিদগ্ধ হৈ প্ৰাণ হেৰুৱাইছিল আৰু ২১ জন লোক আহত হৈছিল। বাছখনৰ পৰা পাঁচটা আৰু ট্ৰাকখনৰ পৰা এটা মৃতদেহ উদ্ধাৰ কৰা হৈছিল। কৰ্তৃপক্ষই কৈছে যে মৃতদেহৰ ডি এন এ পৰীক্ষাৰ ফলাফলৰ পাছত নিহতসকলৰ পৰিয়ালক মৃতদেহ হস্তান্তৰ কৰা হয়। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰমায়াই এই দুৰ্ঘটনাত নিহতসকলৰ নিকটাত্মীয়লৈ ৫ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ত্ৰিপুৰা বিধানসভাৰ অধ্যক্ষ বিশ্ব বন্ধু সেনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে ত্ৰিপুৰাৰ উন্নয়ন আৰু বিভিন্ন সামাজিক দিশত থকা তেওঁৰ উল্লেখযোগ্য অৱদানৰ বাবে তেওঁক সদায়ে স্মৰণ কৰা হ'ব।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইয়ো তেওঁৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীবিৰলাই কয় যে জনসাধাৰণৰ প্ৰতি থকা নিস্বাৰ্থ সেৱাৰ বাবে তেওঁক সদায়ে স্মৰণ কৰা হ'ব।

ooooooo

উত্তৰ কোৰিয়াৰ নেতা কিম জং উনে ক্ষেপনাস্ত্ৰ আৰু গোলা উৎপাদন ক্ষমতা বৃদ্ধিৰ বাবে নতুন বোমা-বাৰুদ কাৰখানা পৰিকল্পনা মুকলি কৰিছে। যুদ্ধ প্ৰতিৰোধক শক্তিশালী কৰাৰ ক্ষেত্ৰত ইয়াৰ উৎপাদন বৃদ্ধিৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰিছে। কিমে ৮ হাজাৰ ৭০০ টন পাৰমাণৱিক চালিত কৌশলগত ক্ষেপনাস্ত্ৰ ছাবমেৰিণ পৰিদৰ্শন কৰাৰ এদিনৰ পাছত এই কথা প্ৰকাশ কৰে। এই পদক্ষেপক উত্তৰ কোৰিয়াই ৰাছিয়ালৈ অস্ত্ৰ ৰপ্তানিৰ সম্ভাৱনাৰ অংশ বুলি ঠাৱৰ কৰা হৈছে।

ooooooo

**সমাপ্ত**